*2021-2022*

*Articles Published in Books*

1. Chitra Ranjan Mili.

Pachaatya Sahityat Mohamarir Chitran




PRINCIPAL, i/c
Marangi Mahavidyalaya

EEKSHA : A collection of bilingual research based articles on diverse topics edited by Mr. Yugal Jyoti Borah, Assistant Professor of English and Dr. Chewari Sarma, Assistant Professor of Assamese, Marangi Mahabidyalaya, published by Jonak Printers on behalf of Teachers' Unit, Marangi Mahabidyalaya, Golaghat, Assam.

*First Edition : December, 2021* *Price: Two Hundred and Fifty Only*

*© Teachers' Unit, Marangi Mahabidyalaya*

Editorial Board

| | |
|---|---|
| Advisers | Dr. Mamoni Mahanta |
| | Mrs. Dipty Tamuly |
| Editors | Mr. Yugal Jyoti Borah |
| | Dr. Chewari Sarma |
| Members | Mrs. Himalata Boruah |
| | Mrs. Pallabi Saikia |
| | Mrs. Gitanjali Bharali |
| | Mr. Jayanta Borah |
| | Dr. Kakali Borah |

| | |
|---|---|
| **Publisher** | Jonak Printers, Merapani, Golaghat Assam on behalf of Teachers' Unit, Marangi Mahabidyalaya |

ISBN 978-81-951019-7-9

Cover Design : Monjit Rajkhowa

Printed at : Universal Printing Press, Ganeshguri, Guwahati-6

22/10/22
PRINCIPAL, i/c
...i Mahavidyalaya

Scanned by TapScanner

PRINCIPAL, i/c
Marangi Mahavidyalaya

MMahanta
PRINCIPAL, i/c
Marangi Mahavidya

সূচী

সম্পাদকীয়
ক'ৰোণাকালীন সময়ৰ সৃজনশীল অসমীয়া সাহিত্য ঃ ড° ৰুবী বৰা /৯
নিৰুপমা বৰগোহাঞিৰ গল্পত নাৰী-চেতনা ঃ ড° প্ৰাপ্তি ঠাকুৰ/২১

# পাশ্চাত্য সাহিত্যত মহামাৰীৰ চিত্ৰণ

চিত্ৰৰঞ্জন মিলি

মহামাৰী হৈছে এক সংক্ৰামক ৰোগৰ প্ৰাদুৰ্ভাৱ যি দেশ বা মহাদেশত বিয়পি পৰে। ই অধিক লোকক প্ৰভাৱিত কৰে আৰু অধিক মানুহৰ জীৱন কাঢ়ি লয়। বৰ্তমান সময়ৰ জনজীৱন ত্ৰাসৰ সৃষ্টি কৰা ক'ভিড-১৯ ক বিশ্বৰ স্বাস্থ্য সংস্থাই মহামাৰী বুলি ঘোষণা কৰিলে যেতিয়া এইটো স্পষ্ট হ'ল যে এই ৰোগ গুৰুত্বৰ আৰু ই কম সময়ৰ ভিতৰতে এক বিস্তৃত এলেকাত দ্ৰুতগতিত বিয়পি পৰিল। মহামাৰীৰ অধ্যয়নে আমাক ৰাজনীতি, আৰ্থ-সামাজিক গাঁথনি আৰু ব্যক্তিগত সম্পৰ্ক বুজাত সহায় কৰে। প্ৰাথমিক কালৰ পৰা বৰ্তমানলৈকে মহামাৰীয়ে মানৱ ইতিহাসক বিভিন্ন ধৰণে প্ৰভাৱিত কৰিছে। ইতিহাসত দেখা পোৱা মহামাৰীৰ পৰা বৰ্তমান বিশ্বৰ মানুহক আতংকিত কৰা "ক'ভিড -১৯" যি চীন দেশৰ য়ুহান চহৰত ২০১৯ চনৰ ডিচেম্বৰ মাহত অংকুৰিত হৈ খুব কম সময়ৰ ভিতৰতে বিশ্বৰ সকলো দেশতে বিয়পি পৰে। হাজাৰ হাজাৰ মানুহৰ জীৱন কাঢ়ি নিছে। ফ্ৰান্স, আমেৰিকাৰ দৰে দেশসমূহকো সকলো দিশত জুৰুলা কৰি পেলাইছে। প্ৰতিষেধক ছিটাৰ আৱিষ্কাৰে বৰ্তমান স্বাভাৱিক অৱস্থালৈ আহিছে যদিও ভাৰত আৰু কিছু ৰাষ্ট্ৰ এতিয়াও এই মহামাৰীত ভুগি আছে। বহু মানুহে পৰিয়ালৰ সদস্য হেৰুৱালে, শিক্ষা ব্যৱস্থা দুৰ্বল হৈ পৰিল, দৈনন্দিন মজুৰীৰ লোকসকল কৰ্মহীন হৈ পৰিল আৰু এনে বহু সমস্যাত জৰ্জৰিত হ'ল। যদি আমি ইতিহাসলৈ ঘূৰি চাওঁ তেন্তে দেখা পাম যে প্ৰাৰম্ভিক মহামাৰীৰ আক্ৰমণৰ ফলত একেটাই ঘটনা ঘটিছিল।

বিশ্বৰ মহামাৰীসমূহৰ ভিতৰতে অন্যতম 'প্লেগ অফ এথেন্স' (PLAGUE OF ATHENS)। খ্ৰীষ্টপূৰ্ব ৪৩০ চনত স্পাৰ্টান আৰু (গ্ৰীক) এথেন্সৰ মাজত 'পেলোপোনেনিয়ান' যুদ্ধ চলি থকা সময়তে পৃথিৱীৰ প্ৰথম মহামাৰী বুলি চিহ্নিত 'প্লেগ অফ এথেন্স' নামে পৰিচিত মহামাৰীৰ আৰম্ভণি হয়। এই মহামাৰীৰ উৎপত্তি দক্ষিণ ইথিউপিয়াত (South of Ethiopia)হয়। ইয়াৰ পিছত উত্তৰ আৰু পশ্চিমফালে ইজিপ্ত আৰু লিবিয়াৰ যোগেদি পাৰ্চীয়া আৰু গ্ৰীকত সোমাই পৰে। উল্লেখযোগ্য যে পিৰেউৱাচ (PIRAEUS PORT, ATHENS) বন্দৰৰ যোগেদি এথেন্সত এই মহামাৰী প্ৰৱেশ কৰে। এই মহামাৰীত দুই-তৃতীয়াংশ মানুহৰ মৃত্যু হৈছিল। গ্ৰীকৰ ইতিহাসবিদ থুচিডাইডচেও এই মহামাৰীত আক্ৰান্ত হৈছিল। এই ৰোগৰ লক্ষণ সমূহ এনেধৰণৰ— চকু ৰঙা পৰা, কণ্ঠ আৰু জিভাৰ পৰা ৰক্তক্ষয়ী, বমি কৰা, জ্বৰ, উশাহ -নিশাহত গোন্ধ, হাঁচি মৰা, বেহুঁচ হোৱা ইত্যাদি। ১৬৫ শতাব্দীত ৰোম যথেষ্ট শক্তিশালী হৈ পৰিছিল। ৰোমৰ সাম্ৰাজ্য পূৰ্ব চিৰিয়াৰ পৰা পশ্চিম স্পেনিচলৈ আৰু উত্তৰ ব্ৰিটেইনৰ পৰা দক্ষিণ আফ্ৰিকালৈকে বিয়পি আছিল। সেই সময়ত ৰোম সৈন্যই মেচো-পেটামিয়ান (MESOPETAMIAN) চহৰৰ 'চেলিউচিয়া' (SELEUCIA) আক্ৰমণ কৰিছিল। এই আক্ৰমণৰ সময়তে ৰোমৰ সৈনিকৰ ওপৰত 'এন্টোনিন প্লেগ' নামৰ মহামাৰী সংক্ৰমিত হয় সৈন্য আৰু বেপাৰী সকলৰ যোগেদি সমগ্ৰ ৰোমত এই মহামাৰী বিয়পি পৰে। বিশেষজ্ঞ সকলৰ মতে এই মহামাৰীৰ উৎপত্তি স্থল চীন। বিভিন্ন বেপাৰীৰ যোগেদি চীনৰ পৰা এই বেমাৰ মেচোপেটামিয়ানত সোমাই পৰিছিল। তাৰ পিছত খুব কম সময়ত সমগ্ৰ ৰোমত এই ৰোগ বিয়পি পৰে। ৰোমত এদিনত ২,০০০ মানুহ এই মহামাৰীত মৃত্যু হৈছিল। এই ৰোগত প্ৰায় ৫০ লাখৰ পৰা ১কোটি মানুহ মৃত্যুমুখত পৰিছিল। ১৬৯ শতাব্দীত ৰোমৰ সম্ৰাট লুচিয়াচৰ এই মহামাৰীত মৃত্যু হৈছিল। ২৫০ শতাব্দীত চাইপিয়ান প্লেগ (CYPIAN PLAGUE)ৰ উৎপত্তি হয়। এই মহামাৰীৰ পৰা নিজকে বচাবৰ বাবে চহৰবাসীসকলে বিভিন্ন ঠাইলৈ পলাই গৈছিল। ফলত এই মহামাৰীয়ে ইথিওপিয়াত আৰম্ভ হৈ উত্তৰ আফ্ৰিকাৰ মাজেৰে ৰোম, ইজিপ্তত বিয়পি পৰে। ৫৪১ খ্ৰীষ্টাব্দত ৰোমান সাম্ৰাজ্যত জাষ্টিনিয়ান নামেৰে এজন ৰজাই ৰাজত্ব কৰিছিল। তেওঁৰ সময়তে প্লেগ মহামাৰীয়ে সমগ্ৰ দেশ ত্ৰাসৰ সৃষ্টি কৰিছিল। এই মহামাৰীয়ে হাজাৰ হাজাৰ মানুহ জীৱন কাঢ়ি নিছিল। মহামাৰীৰ প্ৰকোপ ইমানেই বাঢ়িছিল যে গড় হিচাপে প্ৰতিদিনে ৫ হাজাৰ মানুহৰ মৃত্যু হৈছিল। সম্ৰাট জাষ্টিনিয়ানৰ শাসনকালত এই মহামাৰী হোৱাৰ বাবে তেওঁৰ নামেৰে(জাষ্টিনিয়ান প্লেগ) অভিহিত কৰা হয়। এই মহামাৰী ইজিপ্তৰ উত্তৰ ফালে থকা 'পেলুচিয়ান' চহৰত



Scanned by TapScanner

PRINCIPAL, i/c
Marangi Mahavidyalaya